অধ্যায় ৪ : গদ্যকাৰ বাণীকান্ত কাকতি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতি
৪.৩.১ সমালোচক হিচাপে বাণীকান্ত কাকতি
৪.৩.২ বাণীকান্ত কাকতিৰ প্ৰবন্ধ শৈলীৰ বৈশিষ্ট্য
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্ৰগতিৰ খতিয়ান
৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতি সম্পৰ্কে অৱগত হ'ব।
- অসমীয়া ভাষা আৰু সাহিত্যলৈ বাণীকান্ত কাকতিৰ অৱদানৰ বিষয়ে জ্ঞাত হ'ব।
- সমালোচক হিচাপে বাণীকান্ত কাকতিৰ স্থান আৰু বৈশিষ্ট্য বুজি পাওঁ।
- বাণীকান্ত কাকতিৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰিব পাৰোঁ।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপোনালোকে লক্ষ্মীনাথ বেজবৰুৱাৰ "অসমীয়াৰ বীৰত্ব" প্ৰবন্ধটোত মূল পাঠ আৰু বিষয়বস্তুৰ সাধাৰণ আলোচনা লাভ কৰিলে। এইটো অধ্যায়ত বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতিৰ বিষয়ে জানিব পাৰিব। কাকতি (১৮৯৪–১৯৫২) অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক, গদ্যকাৰ, ভাষাবিদ আৰু গৱেষক আছিল। তেওঁ বস্তুনিষ্ঠ, বৈজ্ঞানিক আৰু তুলনামূলক পদ্ধতিৰে সাহিত্যৰ মূল্যায়ন কৰিছিল। গদ্যকাৰ হিচাপে তেওঁৰ ভাষা আছিল সৰল, যুক্তিনিষ্ঠ, মননশীল আৰু পৰিশীলিত। তেওঁৰ Assamese: Its Formation and Development গ্ৰন্থই অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠা কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে। এই অধ্যায়টোত সমালোচনা সাহিত্যৰ ক্ষেত্ৰত বাণীকান্ত কাকতিৰ কৃতিত্ব আৰু বৈশিষ্ট্য বিষয়েও চমুকৈ আলোকপাত কৰা হ'ব।

ইয়াৰ পৰৱৰ্তী অধ্যায়ত আপোনালোকে বাণীকান্ত কাকতিৰ "অংকীয়া ভাওনা" শীৰ্ষক প্ৰবন্ধটোৰ মূল পাঠ আৰু বিষয়বস্তুৰ সাধাৰণ পৰিচয় লাভ কৰিব।

৪.৩ বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতি

বৰপেটাৰ বাটিকুৰিহা গাঁৱত ১৮৯৪ চনৰ নৱেম্বৰ মাহৰ ১৫ তাৰিখে বাণীকান্ত কাকতিৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল ললিতৰাম কাকতি আৰু মাতৃ লাহোৱালা কাকতি। তেওঁ মাতৃ গৰ্ভত থকা কালতেই পিতৃৰ প্ৰয়াণ ঘটে। বাণীকান্ত কাকতিয়ে তেওঁৰ শিক্ষাজীৱন আৰম্ভ কৰে বাটিকুৰিহা প্ৰাথমিক বিদ্যালয়ত। তেওঁৰ ককায়েক ৰাধা পণ্ডিতে তেওঁৰ শিশুকালতে শিক্ষাগ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। পৰৱৰ্তী সময়ত ১৯০৫ চনত তেওঁ বৰপেটা হাইস্কুলত নামভৰ্তি কৰে আৰু সেইখন বিদ্যালয়ৰ পৰাই ১৯১১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষা দি অসম উপত্যকাৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয়। তাৰ পাছত উচ্চ শিক্ষাৰ বাবে নামভৰ্তি কৰে কটন কলেজত। কটন কলেজৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰি ১৯১৩ চনত আই. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। পৰৱৰ্তী সময়ত স্নাতক পৰ্যায়ত অধ্যয়ন কৰিবলৈ তেওঁ কলকাতালৈ গৈ তাৰে প্ৰেছিডেন্সী কলেজত নামভৰ্তি কৰে। সেইখন কলেজৰ পৰাই কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বিতীয় শ্ৰেণীৰ অনাৰ্ছ লৈ বি. এ. পৰীক্ষাত উত্তীৰ্ণ হয় ১৯১৫ চনত। বাণীকান্ত কাকতিয়ে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ৰ সুখ্যাতিৰে এম. এ. পাছ কৰাৰ লগতে "ক্ষেত্ৰমোহন চেটাৰ্জী সোণৰ পদক" লাভ কৰে। ১৯১৮ চনত সাহিত্য-শাখাত দ্বিতীয় শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হৈছিল আৰু ১৯২৩ চনত ভাষা শাখাত পৰীক্ষা দি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে।

বাণীকান্ত কাকতিয়ে ১৯১৮ চনৰ নৱেম্বৰ মাহৰ ১৬ তাৰিখে কটন কলেজত ইংৰাজী বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰে। উল্লেখযোগ্য যে বাণীকান্ত কাকতিয়ে ১৯৩৫ চনত সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ তত্ত্বাৱধানত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ. ডি. উপাধি লাভ কৰে। তেওঁৰ গৱেষণা গ্ৰন্থখনৰ নাম হ'ল – *Assamese : Its Formation and Development.* মন কৰিবলগীয়া যে এইখন এখন কেৱল গৱেষণা গ্ৰন্থয়েই নহয়; ই অসমীয়া ভাষাৰ মাইলৰ খুঁটি স্বৰূপ। এই গ্ৰন্থখনে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা বৈজ্ঞানিকভাৱে প্ৰতিষ্ঠা কৰিলে। ১৯৪১ চনত ছপা ৰূপেৰে প্ৰকাশ হোৱা এইখন গ্ৰন্থ বাণীকান্ত কাকতিৰ জীৱনৰ কীৰ্তিস্তম্ভ বুলি ক'লেও ভুল কোৱা নহয়।

বাণীকান্ত কাকতিয়ে কটন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপেও কিছু কাল কাৰ্যনিৰ্বাহ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কালত, অৰ্থাৎ ১৯৪৮ চনত তেওঁক বিশ্ববিদ্যালয়ৰ কাৰ্যনিৰ্বাহক সমিতিৰ এজন সদস্য হিচাপে নিযুক্তি দিয়াৰ লগতে অসমীয়া বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক হিচাপে কাৰ্যভাৰ প্ৰদান কৰে। ১৯৪৯ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু হিচাপেও কাৰ্যভাৰ গ্ৰহণ কৰিছিল। এইজনা ব্যক্তিয়ে আনুষ্ঠানিকভাৱে ১৯৫১ চনত কৰ্মজীৱনৰ সামৰণি মাৰে।

বৰপেটাৰ চিৰস্তাদাৰ উমাকান্ত দাসৰ কন্যা কনকলতাৰ লগত ১৯১৬ চনত বাণীকান্ত কাকতিৰ বিবাহসম্পন্ন হৈছিল। প্ৰায় ৩৭ বছৰ কাল যুগ্মজীৱন কটাই কনকলতাই ১৯৫২ চনৰ ছেপ্টেম্বৰ মাহৰ ১৭ তাৰিখে তেওঁক এৰি থৈ যায়। সেই একেটা বছৰৰ নৱেম্বৰ মাহৰ ১৫ তাৰিখে গুৱাহাটীৰ ৰিহাবাৰীস্থিত নিজা বাসভৱনত এইগৰাকী কৃতবিদ্য পণ্ডিতেও ইহলীলা সম্বৰণ কৰে।

প্ৰথম অৱস্থাত বাণীকান্ত কাকতিয়ে লিখা প্ৰবন্ধসমূহ বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পাইছিল। ১৯৪০ চনত তাৰে চৈধ্যটা প্ৰবন্ধ একেলগ কৰি প্ৰকাশ কৰে *পুৰণি অসমীয়া সাহিত্য*। ১৯৪৮ চনত *সাহিত্য আৰু প্ৰেম* নামেৰে ছটা প্ৰবন্ধৰ সংকলন এখন প্ৰকাশ পায়। ১৯৪১ চনত প্ৰকাশ পায় *কলিতা জাতিৰ ইতিবৃত্ত* নামৰ প্ৰবন্ধ সংকলনখন। মৰণোত্তৰভাৱে ১৯৫৫ চনত *পুৰণি কামৰূপৰ ধৰ্মৰ*

ধাৰা আৰু ১৯৬৬ চনত *বাণী প্ৰতিভা* প্ৰকাশ কৰা হয়। বাণীকান্ত কাকতিয়ে মধ্যযুগীয় অসমৰ ধৰ্মসমূহৰ নিৰ্ভীক আলোচনাৰে সমৃদ্ধ দুখন কিতাপ ইংৰাজী ভাষাত ৰচনা কৰি থৈ গৈছে। সেই দুখন কিতাপ হ'ল – *The Mother Goddess Kamakhya* (১৯৪১) আৰু বৈষ্ণৱ-ধৰ্মৰ মূল সূত্ৰবোৰৰ বৈজ্ঞানিক ব্যাখ্যা সম্বলিত *Visnavite Myths and Legends* (১৯৫২)। বাণীকান্ত কাকতিয়ে ৰচনা কৰা আন এখন দুৰ্লভ গ্ৰন্থ হ'ল *Saint of India Series*-অৰ অংগ হিচাপে প্ৰকাশিত *Life and Teaching of Sankaradeva* (১৯২৩)। বাণীকান্ত কাকতিয়ে শিশু উপযোগী *পখিলা* (১৯৫১) নামৰ পুথি এখনো ৰচনা কৰি অসমীয়া শিশু সাহিত্যত তেওঁ অৱদান আগবঢ়ায় গৈছে।

এইবোৰৰ উপৰি বাণীকান্ত কাকতিয়ে বিভিন্ন সাহিত্য-বিচাৰৰ প্ৰবন্ধ লিখি থৈ গৈছে। তাৰে ভিতৰত উল্লেখযোগ্য হ'ল ১৮৪২ চনত ভবানন্দ পাঠক ছদ্মনাম লৈ বাঁহীত দশম বছৰ, সপ্তম সংখ্যাৰ লিখা প্ৰবন্ধলানি। এইদৰে সৰ্বমুঠ ওঁঠৰটি প্ৰবন্ধ লিখিছিল তেওঁ। ঠিক সেইদৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ শোণিত কুঁৱৰী নাটকখনৰ বিষয়ে সমালোচনা লিখি পৌৰাণিক বিষয়বস্তুক কেনেকৈ আধুনিক মনস্তাত্ত্বিক আৰু নাটকীয় কৌশলেৰে পৰিৱেশন কৰিছে তাৰে প্ৰশংসাবাদ কৰি জ্যোতি প্ৰসাদৰ আৰ্টৰ অভিনৱত্বক অভিবাদন জনাইছে। তদুপৰি কেইবাখনো গ্ৰন্থৰ পাতনি স্বৰূপে বাণীকান্ত ককতিয়ে কেইবাটাও উল্লেখযোগ্য মননশীল সমালোচনাত্মক প্ৰবন্ধ লিখি থৈ গৈছে। তাৰে ভিতৰত উল্লেখযোগ্য হ'ল– *কেতেকী, ফুলৰ শৰাই, দহিকতৰা, কথা-কবিতা, তুমি* আদি কাব্যগ্ৰন্থৰ পাতনি।

আধুনিক যুগৰ শ্ৰেষ্ঠ সমালোচকৰ স্থান দখল কৰা বাণীকান্ত কাকতি হ'ল লক্ষ্মীনাথ বেজবৰুৱাৰ পিছত এজন উল্লেখযোগ্য সমালোচক। ব্যাখ্যাত্মক আৰু তুলনামূলক এই দুই ধাৰাৰে সাহিত্য সমালোচনাত লিপ্ত হোৱা কাকতিয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰে সাধাৰণ পাঠকৰ দৃষ্টিগোচৰ নোহোৱা সাহিত্যৰ সৌন্দৰ্য আৱিষ্কাৰ কৰিছিল।

বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ কালিকা ভালদৰে অনুধাৱন কৰি ভাষাৰ জতুঁৱা প্ৰয়োগৰ মাজেদি অসমীয়া গদ্যক এক পৰিসীমিত ৰূপ দান কৰিলে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। বাণীকান্ত কাকতিৰ ভাষা আছিল নিটোল অৰ্থাৎ balanced বা সন্তুলিত। ঘৰুৱা ৰূপৰ ভাষাৰ প্ৰয়োগ, কাব্যসুলভ গদ্য, কল্পনাময় চিত্ৰ গুণ হ'ল কাকতিৰ কথা-শৈলীৰ আটাইতকৈ মনোৰম গুণ। যুক্তিনিষ্ঠ, স্পষ্ট, সৰল, সাৱলীল আৰু বৰ্ণনা বাহুল্যবৰ্জিত ভাষাৰ প্ৰয়োগ কৰি সুসংগঠিত ৰূপত বক্তব্যৰ প্ৰকাশ কৰাৰ ক্ষেত্ৰত কাকতি আছিল অদ্বিতীয়।

৪.৩.১ সমালোচক হিচাপে বাণীকান্ত কাকতি

বাণীকান্ত কাকতি আধুনিক অসমীয়া সাহিত্যৰ এজন অন্যতম শ্ৰেষ্ঠ সাহিত্য সমালোচক আছিল। অসমীয়া সাহিত্য সমালোচনাৰ ক্ষেত্ৰত তেওঁ এক নতুন যুগৰ সূচনা কৰিছিল। সাহিত্যৰ মূল্যায়ন আৰু বিশ্লেষণৰ ক্ষেত্ৰত তেওঁ যুক্তিনিষ্ঠ, বস্তুনিষ্ঠ আৰু বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰিছিল। তেওঁৰ সমালোচনাৰ মূল লক্ষ্য আছিল সাহিত্যকৰ্মৰ অন্তৰ্নিহিত সৌন্দৰ্য, শিল্পমূল্য, ভাবগভীৰতা আৰু সাহিত্যিকৰ সৃষ্টিশীল শক্তিক পাঠকৰ আগত উন্মোচন কৰা।

বাণীকান্ত কাকতিয়ে সাহিত্য সমালোচনাত ব্যাখ্যাত্মক আৰু তুলনামূলক পদ্ধতিৰ সফল প্ৰয়োগ কৰিছিল। তেওঁ কোনো সাহিত্যকৰ্মৰ কেৱল গুণাগুণ বৰ্ণনা কৰিয়েই ক্ষান্ত নাথাকি তাৰ ঐতিহাসিক পটভূমি, সামাজিক প্ৰভাৱ, ভাষাশৈলী আৰু শিল্পমূল্য গভীৰভাৱে বিশ্লেষণ কৰিছিল। তেওঁৰ সমালোচনাৰ মাজত পাণ্ডিত্য, গভীৰ অধ্যয়ন আৰু সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতাৰ পৰিচয় পোৱা যায়। সাহিত্যৰ বিভিন্ন দিশৰ বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত তেওঁ ভাৰতীয় আৰু পাশ্চাত্য সাহিত্য-চিন্তাৰ সমন্বয় ঘটাইছিল। তেওঁৰ সমালোচনামূলক প্ৰবন্ধসমূহত লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আদি বিশিষ্ট সাহিত্যিকৰ সাহিত্যকীৰ্তিৰ মূল্যায়ন বিশেষভাৱে উল্লেখযোগ্য। জ্যোতিপ্ৰসাদ আগৰৱালাৰ *শোণিত কুঁৱৰী* নাটকৰ সমালোচনাত তেওঁ নাট্যকাৰৰ অভিনয় শিল্পদৃষ্টি আৰু মনস্তাত্ত্বিক উপস্থাপনৰ প্ৰশংসা কৰিছিল। আনহাতে, লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যকীৰ্তিৰ বিশ্লেষণৰ জৰিয়তে তেওঁ বেজবৰুৱাৰ সাহিত্যিক অৱদানৰ প্ৰকৃত মূল্য নিৰ্ধাৰণ কৰাৰ চেষ্টা কৰিছিল।

তেওঁৰ সমালোচনাৰ অন্যতম বৈশিষ্ট্য আছিল নিৰ্মোহতা আৰু বস্তুনিষ্ঠতা। তেওঁ ব্যক্তিগত পক্ষপাতিত্বৰ ঊৰ্ধ্বত থাকি সাহিত্যক বিচাৰ কৰিছিল। ফলত তেওঁৰ সমালোচনা বিশ্বাসযোগ্য আৰু গ্ৰহণযোগ্য হৈ উঠিছিল। ভাষাৰ স্পষ্টতা, যুক্তিৰ দৃঢ়তা আৰু বিশ্লেষণৰ গভীৰতাই তেওঁৰ সমালোচনাক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। সাহিত্য সমালোচক হিচাপে বাণীকান্ত কাকতিয়ে অসমীয়া সাহিত্যলৈ অমূল্য অৱদান আগবঢ়াইছে। তেওঁৰ সমালোচনামূলক ৰচনাসমূহে অসমীয়া সাহিত্যৰ বহু গুৰুত্বপূৰ্ণ দিশ উন্মোচন কৰাৰ লগতে সাহিত্য-চৰ্চাক অধিক যুক্তিনিষ্ঠ, বৈজ্ঞানিক আৰু সমৃদ্ধ কৰি তুলিছে। সেইবাবে তেওঁক আধুনিক অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ আৰু প্ৰভাৱশালী সাহিত্য সমালোচক বুলি কোৱা হয়।

জানি থোৱা ভাল

বাণীকান্ত কাকতিৰ অত-তত সিঁচৰতি হৈ থকা প্ৰবন্ধসমূহ একেলগ কৰি মহেশ্বৰ নেওগে ১৯৯১ চনত *বাণীকান্ত ৰচনাৱলী* শীৰ্ষক পুথি এখন সম্পাদনা কৰি প্ৰকাশ কৰিছে। অসম প্ৰকাশন পৰিষদে এই ৰচনাৱলীখন প্ৰকাশ কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ : বাণীকান্ত কাকতিৰ গৱেষণা-গ্ৰন্থখনৰ নাম কি ?

.....

প্ৰশ্ন নং ২ : গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু হিচাপে বাণীকান্ত কাকতিয়ে কেতিয়া কাৰ্যভাৰ গ্ৰহণ কৰিছিল ?

.....

৪.৩.২ বাণীকান্ত কাকতিৰ গদ্য শৈলীৰ বৈশিষ্ট্য

বাণীকান্ত কাকতি অসমীয়া সাহিত্যৰ এজন বিশিষ্ট সমালোচক, গৱেষক, ভাষাবিদ আৰু প্ৰবন্ধকাৰ। আধুনিক অসমীয়া গদ্য সাহিত্যৰ বিকাশত তেওঁৰ অৱদান অনস্বীকাৰ্য। সাহিত্য সমালোচনা, ভাষা-গৱেষণা, সংস্কৃতি, ইতিহাস আৰু ধৰ্মীয় বিষয়ক আলোচনাৰ ক্ষেত্ৰত তেওঁ এক স্বতন্ত্ৰ স্থান অধিকাৰ কৰি আছে। তেওঁৰ গদ্যশৈলীত জ্ঞানৰ গভীৰতা, যুক্তিৰ দৃঢ়তা, ভাষাৰ পৰিশীলন আৰু প্ৰকাশভংগীৰ স্বকীয়তা একেলগে সমাহিত হৈছে। সেয়েহে বাণীকান্ত কাকতিৰ গদ্যশৈলী অসমীয়া গদ্য সাহিত্যৰ এক উল্লেখযোগ্য সম্পদ হিচাপে পৰিগণিত হৈছে।

কাকতিৰ গদ্যৰ অন্যতম আকৰ্ষণীয় দিশ হৈছে ভাষাৰ পৰিশীলন আৰু বলিষ্ঠতা। তেওঁ অপ্ৰয়োজনীয় শব্দৰ ব্যৱহাৰ নকৰাকৈ সংক্ষিপ্ত অথচ অৰ্থবহ বাক্যৰ জৰিয়তে নিজৰ বক্তব্য প্ৰকাশ কৰিছিল। জটিল আৰু গম্ভীৰ বিষয়সমূহো তেওঁ সহজ ভাষাত ব্যাখ্যা কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ ভাষা পাণ্ডিত্যপূৰ্ণ হ'লেও দুৰ্বোধ্য নহয়। উপযুক্ত শব্দচয়ন আৰু সুসংগঠিত বাক্যবিন্যাসৰ জৰিয়তে তেওঁ পাঠকৰ বাবে বিষয়বস্তু সহজ কৰি তুলিছিল। ফলত তেওঁৰ ৰচনাসমূহ সকলো শ্ৰেণীৰ পাঠকৰ বাবে বোধগম্য হৈ পৰে। ভাষাৰ প্ৰাঞ্জলতা আৰু পৰিমিতিবোধ তেওঁৰ গদ্যৰ বিশেষ গুণ। ইয়াৰ ফলত তেওঁৰ ৰচনা একে সময়তে গম্ভীৰ, সুললিত আৰু প্ৰভাৱশালী হৈ উঠিছে। তেওঁৰ ভাষা, শব্দচয়ন, বাক্যগঠন আৰু প্ৰকাশভংগীয়ে অসমীয়া গদ্য সাহিত্যক এক নতুন মৰ্যাদা প্ৰদান কৰিছে। তাৰোপৰি উপমা, চিত্ৰকল্প আৰু বিভিন্ন অলংকাৰৰ সাৰ্থক প্ৰয়োগে তেওঁৰ ভাষাক লালিত্যপূৰ্ণ আৰু আকৰ্ষণীয় কৰি তুলিছে।

তেওঁৰ বাক্যগঠন কৌশলো বিশেষভাৱে উল্লেখযোগ্য। বিষয়বস্তুক উপযুক্তভাবে উপস্থাপনৰ ক্ষেত্ৰত কাকতিয়ে তেওঁৰ ৰচনাত প্ৰয়োজন অনুসৰি চুটি-দীঘল বাক্য প্ৰয়োগ কৰিছে। কেতিয়াবা দীঘল বাক্যৰ মাজত বহু ভাব সন্নিৱিষ্ট কৰি তেওঁ অনুচ্ছেদ গঠন কৰিছে, আনহাতে কেতিয়াবা কঠিন বিষয়কো সহজ-সৰল চুটি বাক্যৰ জৰিয়তে উপস্থাপন কৰে। তাৰোপৰি প্ৰশ্নবোধক, ভাববোধক আৰু বৰ্ণনামূলক বাক্যৰ সমন্বয়ে তেওঁৰ গদ্যত এক বিশেষ গতি আৰু বৈচিত্ৰ্য সৃষ্টি কৰিছে। সংযত, বলিষ্ঠ আৰু পৰিশীলিত ভাষাৰ ব্যৱহাৰ তেওঁৰ গদ্যত এক উল্লেখযোগ্য দিশ।

তেওঁৰ গদ্যশৈলীৰ অন্যতম প্ৰধান বৈশিষ্ট্য হৈছে যুক্তিনিষ্ঠতা আৰু বিশ্লেষণধৰ্মিতা। তেওঁ আৱেগ বা কল্পনাৰ ওপৰত অধিক নিৰ্ভৰ নকৰি যুক্তি, তথ্য আৰু প্ৰমাণৰ ভিত্তিত নিজৰ বক্তব্য উপস্থাপন কৰে। তেওঁৰ প্ৰবন্ধসমূহত বিষয়বস্তুৰ বিশ্লেষণ সুসংগঠিত আৰু পৰিকল্পিতভাৱে উপস্থাপন কৰা বাবে তেওঁৰ ৰচনাসমূহ বিশ্বাসযোগ্য আৰু গ্ৰহণযোগ্য হৈ উঠিছে। ধৰ্ম আৰু সমাজ-সম্পৰ্কীয় ৰচনাসমূহত তেওঁ আৱেগৰ পৰিৱৰ্তে যুক্তি আৰু তথ্যক অধিক গুৰুত্ব দিছে। এনে ৰচনাত ভাষা নিৰলংকাৰ, নিৰাৱেগিক আৰু বস্তুনিষ্ঠ ৰূপত প্ৰকাশ পাইছে। কাকতিয়ে নিজৰ যুক্তি আৰু বিশ্লেষণ অধিক শক্তিশালী কৰি তুলিবলৈ দেশী-বিদেশী সাহিত্য, ইতিহাস, সমাজ আৰু সংস্কৃতিৰ বিভিন্ন উদাহৰণ ব্যৱহাৰ কৰিছিল। এই উদাহৰণসমূহে তেওঁৰ

আলোচনাক অধিক বিশ্বাসযোগ্য আৰু তথ্যসমৃদ্ধ কৰি তুলিছিল। পাঠকে বিষয়বস্তু সহজে উপলব্ধি কৰাৰ ক্ষেত্রতো এই প্রসংগসমূহে বিশেষ সহায় কৰিছিল। আকৌ কাকতিৰ প্রবন্ধৰাজিৰ নিৰালংকাৰ, যুক্তিনিষ্ঠ নহয়; প্রবন্ধসমূহত যুক্তিনিষ্ঠ চিন্তাৰ সমান্তৰালে গভীৰ মননশীলতা আৰু সুন্দৰ অলংকাৰৰ সমন্বয় দেখা যায়। সাহিত্য, সমাজ, ধর্ম অথবা সংস্কৃতি—যি বিষয়েই হওক, তেওঁ সেই বিষয়ৰ অন্তর্নিহিত তাৎপর্য বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল।তেওঁৰ গদ্যৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ব্যংগাত্মক ভংগীৰ সুনিপুণ ব্যৱহাৰ। বিশেষকৈ বৈষ্ণৱ ধর্ম সম্পর্কীয় বাদ-বিবাদমূলক প্রবন্ধসমূহত তেওঁ তীক্ষ্ণ ব্যংগ প্রকাশভংগীৰ জৰিয়তে নিজৰ মতামত সুস্পষ্টভাৱে প্রকাশ কৰিছে।

তেওঁৰ গদ্যৰ আন এক উল্লেখযোগ্য গুণ হৈছে বস্তুনিষ্ঠতা আৰু নির্মোহ সমালোচনাৰ মনোভাৱ। তেওঁ কোনো বিষয়ৰ আলোচনা কৰাৰ সময়ত ব্যক্তিগত পক্ষপাতিত্বৰ পৰা মুক্ত থাকিবলৈ চেষ্টা কৰিছিল। সাহিত্যিক বা সামাজিক যিকোনো বিষয়ৰ ক্ষেত্রতেই তেওঁ নিৰপেক্ষ দৃষ্টিভংগী অৱলম্বন কৰিছিল। সেয়ে তেওঁৰ সমালোচনা বিশ্বাসযোগ্য আৰু মূল্যৱান হিচাপে স্বীকৃতি লাভ কৰিছে।

সামগ্রিকভাৱে ক'ব পাৰি যে বাণীকান্ত কাকতিৰ গদ্যশৈলী যুক্তিনিষ্ঠতা, মননশীলতা, বিশ্লেষণধর্মিতা, ব্যংগাত্মকতা, বস্তুনিষ্ঠতা, ভাষাৰ পৰিশীলন আৰু অলংকাৰিক সৌন্দর্যৰ এক অপূর্ব সমন্বয়। তেওঁৰ গদ্যত জ্ঞান আৰু শিল্প, যুক্তি আৰু অনুভূতি, সমালোচনা আৰু সৌন্দর্যবোধ একেলগে মিলিত হৈছে। এই সকলো বৈশিষ্ট্যই তেওঁৰ গদ্যক অসমীয়া সাহিত্যত এক স্বকীয় মর্যাদা প্রদান কৰিছে। সেয়েহে বাণীকান্ত কাকতিৰ গদ্যশৈলী অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত চিৰস্মৰণীয় আৰু আদর্শস্বৰূপ হৈ থাকিব।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ : বাণীকান্ত কাকতিয়ে লিখা শিশু উপযোগী পুথিখনৰ নাম কি আৰু সেইখন কেতিয়া প্রকাশ পাইছিল?

.....

প্রশ্ন নং ৪ : সমালোচক হিচাপে বাণীকান্ত কাকতিৰ ভাষা কেনে আছিল? [৪০টা শব্দৰ ভিতৰত লিখক]

.....

.....

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ পৰা আমি পণ্ডিত, ভাষাবিদ বাণীকান্ত কাকতিৰ জীৱনৰ বিষয়ে চমুকৈ জানিব পাৰিলোঁ। বাণীকান্ত কাকতি অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট সমালোচক, গৱেষক, ভাষাবিদ আৰু প্ৰবন্ধকাৰ আছিল। তেওঁ অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়াইছিল।
- সাহিত্য সমালোচনাত তেওঁ যুক্তিনিষ্ঠ, বৈজ্ঞানিক আৰু বস্তুনিষ্ঠ দৃষ্টিভংগী গ্ৰহণ কৰিছিল। তেওঁৰ গদ্যশৈলী সৰল, স্পষ্ট, বিশ্লেষণধৰ্মী আৰু মননশীল আছিল।
- তেওঁ অসমীয়া সাহিত্য, সংস্কৃতি, ধৰ্ম আৰু ইতিহাস সম্পৰ্কে বহু মূল্যৱান গ্ৰন্থ ৰচনা কৰিছিল।

O ৪.৬ অধিক জানিবলৈ

কোঁৰৰ, অপর্ণা (সম্পা) (২০১৬); *আধুনিক অসমীয়া গদ্যশৈলী;* বনলতা।

নেওগ, মহেশ্বৰ (সম্পা) (২০১৮); *বণীকান্ত ৰচনাৱলী;* অসম প্ৰকাশন পৰিষদ।

বৰা, মহেন্দ্ৰ (২০০২); *সাহিত্য উপক্ৰমণিকা;* বনলতা।

ভূঞা, স্মৃতি ৰেখা (২০০৭); *অসমীয়া গদ্যৰীতি;* বৃষ্টি প্ৰকাশন।

ভূঞা, স্মৃতিৰেখা (২০১০); *অসমীয়া গদ্যৰীতি 'জোনাকী'ৰ পৰা 'ৰামধেনু'লৈ;* বৃষ্টি প্ৰকাশক।

শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* সৌমাৰ প্ৰকাশ।

শর্মাদলৈ, হৰিনাথ (১৯৯২); *অসমীয়া গদ্য-সাহিত্যৰ গতি-পথ;* পদ্মপ্ৰিয়া লাইব্ৰেৰী,শান্তিপুৰ।

শর্মাদলৈ, হৰিনাথ; (২০১৫); *সাহিত্য-প্ৰৱেশ;* পদ্মপ্ৰিয়া লাইব্ৰেৰী।

শর্মা, হেমন্তকুমাৰ (২০১৩); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* বীণা লাইব্ৰেৰী।

শর্মা, হেমন্ত কুমাৰ (২০০০); *অসমীয়া লোকগীতি সঞ্চয়ন;* বীণা লাইব্ৰেৰী।

K ৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ : অসমৰ সংস্কৃতি শীৰ্ষক গ্ৰন্থখনৰ বাবে।

২ নং প্ৰশ্নৰ উত্তৰ : ১৯৮৬ চনৰ পৰা অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক হিচাপে তিনি বছৰ কাল কার্যনির্বাহ কৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ : পখিলা, এই পুথিখন ১৯৫১ চনত প্ৰকাশ পাইছিল।

৪ নং প্ৰশ্নৰ উত্তৰ : বাণীকান্ত কাকতিৰ ভাষা আছিল নিটোল। ঘৰুৱা ৰূপৰ ভাষাৰ প্ৰয়োগ, কাব্যসুলভ গদ্য, কল্পনাময় চিত্ৰ গুণ হ'ল কাকতিৰ কথা-শৈলীৰ আটাইতকৈ মনোৰম গুণ। যুক্তিনিষ্ঠ, স্পষ্ট, সৰল, সাৱলীল আৰু বর্ণনা বাহুল্যবর্জিত ভাষাৰ প্ৰয়োগ কৰি সুসংগঠিত ৰূপত বক্তব্যৰ প্ৰকাশ কৰাৰ ক্ষেত্ৰত কাকতি আছিল অদ্বিতীয়।

৪.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ : *The Mother Goddess Kamakhya* গ্ৰন্থখন কোন বছৰত প্ৰকাশ পাইছিল ?

প্ৰশ্ন ২ : *বাণীকান্ত ৰচনাৱলী* কোনে সম্পাদনা কৰিছিল ?

প্ৰশ্ন ৩ : অসমীয়া ভাষাৰ স্বতন্ত্ৰতা বৈজ্ঞানিকভাৱে প্ৰতিষ্ঠা কৰা গ্ৰন্থখনৰ নাম কি ?

প্ৰশ্ন ৪ : *পুৰণি অসমীয়া সাহিত্য* গ্ৰন্থখন কেতিয়া প্ৰকাশ পাইছিল ?

প্ৰশ্ন ৫ : *সাহিত্য আৰু প্ৰেম* গ্ৰন্থখন কেতিয়া প্ৰকাশ পাইছিল ?

প্ৰশ্ন ৬ : *কলিতা জাতিৰ ইতিবৃত্ত* কি ধৰণৰ গ্ৰন্থ ?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : অসমীয়া ভাষা আৰু সাহিত্য উন্নয়নত বাণীকান্ত কাকতিৰ অৱদান আলোচনা কৰা।

প্ৰশ্ন ২ : "বাণীকান্ত কাকতি আধুনিক যুগৰ অন্যতম শ্ৰেষ্ঠ সমালোচক" — মন্তব্যটো আলোচনা কৰা।

প্ৰশ্ন ৩ : *Assamese: Its Formation and Development* গ্ৰন্থখনৰ গুৰুত্ব আলোচনা কৰা।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতিৰ চমু পৰিচয় দিয়ক।

প্ৰশ্ন ২ : সমালোচক হিচাপে বাণীকান্ত কাকতিৰ চমু পৰিচিতি দাঙি ধৰি কাকতিৰ গদ্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ : অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বিকাশত বাণীকান্ত কাকতিৰ অৱদান মূল্যায়ন কৰা।